3rd Sem – Ethics.

# The law of Karma

## Introduction :-

কৰ্মবাদ হৈছে ভাৰতীয় দৰ্শনৰ এক অপৰিহাৰ্য সাৰ্বিক প্ৰত্যয়। ভাৰতৰ প্ৰায় সকলো দাৰ্শনিক সম্প্ৰদায়েই কৰ্মবাদত বিশ্বাসী। কেৱল মাথো চাৰ্বাক সম্প্ৰদায় সকলৰ বাহিৰে ভাৰতৰ সকলো দাৰ্শনিক সম্প্ৰদায়ে কৰ্মবাদক বিশ্বাস কৰে। কৰ্মবাদ মতে মানুহে তেওঁৰ সকলো ক্ৰিয়াকৰ্মৰ ফল অৱশ্যেই ভোগ কৰিব লাগিব। কৰ্মবাদ বুলিলে মানুহৰ জীৱন আৰু নৈতিক জগতৰ সমস্ত নিয়মক বুজোৱা হয়।

কৰ্মবাদ ঋতৰেই ৰূপান্তৰ। ঋতৰ ধাৰণাৰ পৰৱৰ্তী কালত ভাৰতীয় দৰ্শনত কৰ্মবাদ নামেৰে পৰিচিত। ঋতৰ ৰূপান্তৰ কৰ্মবাদ এক এনে নিয়ম যিটো ঋতৰ দৰেই চিৰন্তন আৰু অলংঘনীয়। ঋত এক বৈদিক প্ৰত্যয়। ঋত হ'ল জাগতিক আৰু নৈতিক নিয়ম। এই নিয়মৰ দ্বাৰা সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ড পৰিচালিত হৈছে আৰু মানুহৰ নৈতিক জগতো পৰিচালিত হৈছে। গতিকে জাগতিক আৰু নৈতিকতাত দিশৰ পৰা ঋতৰ গুৰুত্ব সৰ্বাধিক। সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড আৰু মানৱৰ নৈতিক জগত যি সনাতন সাৰ্বিক নিয়মৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত তাক ঋত বোলা হয়। বৈদিক সাহিত্যত ঋত অৰ্থ সাৰ্বিক সমন্বয়ৰ নীতি। বৈদিক সাহিত্যত ঋত একাধাৰে ধৰ্ম, সত্য আৰু পৰমতত্ত্ব। 'ঋ' ধাতুৰ অৰ্থ হ'ল গতি। সাধাৰণতে ঋত বুলিলে বস্তুৰ গতি- প্ৰাকৃতিক বুজা যায়। ঋত শব্দৰ দ্বাৰা প্ৰথমতে জড়জগত- আৰু চেতন জগতৰ নিয়ন্ত্ৰক বা শাসকৰূপে গণ্য কৰা হ'লেও পৰৱৰ্তী কালত ঋতক মানুহৰ নৈতিক জীৱনৰ নিয়ন্ত্ৰক বা শক্তি হিচাপে গণ্য

Scanned with Oken Scanner

কৰা হয়। বৈদিক যুগত দেৱতাসকলক তেওঁ ঋতৰ শক্তিৰ ধাৰক বা আশ্ৰয় ৰূপে গণ্য কৰা হৈছে। যেনে:- 'গোপা ঋতস্য' — অৰ্থাৎ দেৱতাসকল হ'ল ঋতৰ ধাৰক বা অভিৰক্ষক। আৰু 'ঋতায়ু' - অৰ্থাৎ দেৱতাসকলে হ'ল ঋতৰ ধাৰক ঋতৰ শক্তিক ব্যৱহাৰ কৰি- বিশ্বজগত পৰিচালনা কৰে। কিন্তু ঋতৰ ধাৰক দেৱতাসকলে যে কেৱলমাত্ৰ জড়জগতেই পৰিচালনা কৰে এনে নহয়, দেৱতাসকল সৎ ব্যক্তিক ৰক্ষণাবেক্ষণ দিয়ে আৰু অসৎ ব্যক্তিৰ প্ৰতি নিৰ্দয় ব্যৱহাৰ কৰে। গতিকে দেৱতাসকলক সন্তুষ্ট কৰিবলৈ মানুহে সৎ ভাৱে জীৱন-যাপন কৰা উচিত।

কৰ্ম শব্দটো সংস্কৃত 'কৃ' ধাতুৰ পৰা আহিছে। 'কৃ' ধাতুৰ অৰ্থ হ'ল 'কাৰ্য কৰা'। সকলো ধৰণৰ কাৰ্য কৰাই হ'ল কৰ্ম। অৰ্থাৎ শাৰীৰিক আৰু মানসিক আদি সকলো ধৰণৰ কাৰ্যই কৰ্ম। গতিকে কৰ্মবাদ বুলিলে বুজায় সকলো ধৰণৰ কৰ্ম কৰাৰ মতবাদ যি মতবাদ অনুসৰি প্ৰত্যেক কৰ্মৰে এটা সুনিৰ্দিষ্ট ফল আছে। কৰ্মবাদ অনুসৰি মানুহৰ ভিতৰত যি যেনে কৰ্ম তেনে ফল পোৱাটো বাধ্যতামূলক। মানুহৰ সৎ কৰ্মৰ ফল সৎ বা ভাল হয় আৰু অসৎ কৰ্মৰ ফল অসৎ বা বেয়া হয়। সকলো মানুহৰ বৰ্তমান জীৱন অতীতৰ কৰ্মৰ ফলত আধাৰিত হয় আৰু ভৱিষ্যত জীৱন বৰ্তমান কৰা কৰ্মৰ ফলৰ আধাৰত হয়।

Scanned with Oken Scanner

Aims and objectives :

মানুহৰ জীৱনত কৰ্মবাদ এক অপৰিহাৰ্য অংগ স্বৰূপ। কৰ্মবাদ মতে মানুহৰ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য প্ৰায় একেই। কৰ্মবাদৰ মূল কথাষাৰ হ'ল 'যেনে কৰ্ম তেনে ফল'। অৰ্থাৎ মানুহে জীৱনত যেনে কাৰ্য সম্পাদন কৰে সেই কৰ্ম বা কাৰ্যৰ ফলও সেই কৰ্মৰ উপৰত ~~আ~~ নিৰ্ধাৰিত হৈ তেনেকুৱাই কৈয়ে লাভ কৰে। মানুহে জীৱনত ভাল বা সৎ কাম কৰিলে তাৰ ফল ভালেই পাব ~~আৰু~~ আৰু যদি বেয়া কাম কৰে তেন্তে তাৰ ফল বেয়া বা অশুভ হ'ব। সকলো মানুহে স্বাধীন ভাৱে ভাল কাম কৰিলে পুণ্য সঞ্চয় কৰে আৰু স্বইচ্ছাই বেয়া কাম কৰিলে পাপ সঞ্চয় কৰে। মানুহৰ ইচ্ছাৰ স্বাধীনতা আছে। তেওঁলোকে পাপ আৰু পুণ্য নিজা কাৰ্যৰ দ্বাৰাই অৰ্জন কৰে।

মৃত্যুৰ পিছত আত্মাই বৰ্তমান শৰীৰ ধ্বংস হয় আৰু সেই শৰীৰৰ আত্মাই নিজৰ কৰ্ম অনুযায়ী পৰ জন্মত উপযোগী শৰীৰ ধাৰণ কৰি সংসাৰত জন্ম হয়। মানুহে নিজৰ চৰিত্ৰ নিজেই গঠন কৰে আৰু স্বাধীন ভাৱে কাৰ্য্য কৰি বিভিন্ন গুণ আৰু অবগুণ অৰ্জন কৰে। সেই গুণ-অবগুণ বা পাপ-পুণ্য সমূহ সকলো মানুহৰ ~~তেওঁলোকৰ~~ আত্মাত 'অদৃষ্ট' ৰূপে থাকি যায়। সেইবোৰেই পিছত আনন্দ বা দুখ হিচাপে তেওঁলোকৰ জীৱনত দেখা দিয়ে। নিজৰ কৰ্মৰ ফল তেওঁলোকে কেতিয়াও এৰাব নোৱাৰে। কিন্তু পৰজন্মত ভাল কাম কৰিলে তেওঁলোকৰ সঞ্চিত পাপ কিছুমান লঘুন হয় আৰু বেয়া কাম কৰিলে পূৰ্বৰ পুণ্য ক্ষয় হয়। মানুহে নিজৰ ভাগ্য নিজেই গঢ়িব পাৰে আৰু ধ্বংসও কৰিব পাৰে। যেয়ে সকলো মানুহৰ-

Scanned with Oken Scanner

জীৱনত ভাল কাম কৰি যোৱাটো উদ্দেশ্য হ'ব লাগে ।

কৰ্মবাদে স্ব ইচ্ছাৰ স্বাধীনতা স্বীকাৰ কৰে । গতিকে মানুহে স্ব ইচ্ছাই ভাল ফল বা বেয়া ফল লাভ কৰিব পাৰে । যদিও কৰ্মবাদে স্ব ইচ্ছাৰ স্বাধীনতা সম্পূৰ্ণভাৱে অস্বীকাৰ নকৰে, তথাপিও এই স্বাধীনতা সীমিত বুলি ক'ব লাগিব। কিয়নো সকলো মানুহৰ স্বাধীনতাৰ লগত পূৰ্ব জন্মৰ সঞ্চিত সুফল আৰু কুফলৰ ওতঃপ্ৰোতঃ সম্বন্ধ আছে। কাৰণ পূৰ্ব জন্মৰ যদি কু ফল সঞ্চিত হৈ থাকে তেতিয়া এই জন্মত যিমান ভাল কাম কৰিলেও ~~জনম~~ সেই কু ফলৰ ফল ভোগ কৰিবই লাগিব আৰু যদি সু ফল সঞ্চিত হৈ থাকে তেতিয়া বেয়া কাম কৰিলে সেই সুফলৰ ভাল ফল ভোগ কৰিবই লাগিব ।

~~যিহেতু মানুহৰ কৰ্মৰ ফল মানুহে নিজৰ কৰ্মৰ দ্বাৰাই লাভ কৰিব পাৰে। গতিকে মানুহে~~

যিহেতু মানুহৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ কৰ্ম ফল মানুহে নিজৰ কৰ্মৰ দ্বাৰাই অৰ্জন কৰিব পাৰে, সেয়ে সকলো মানুহে সমাজ বা ব্যক্তিগত জীৱনত উদাৰ সৎ ভাল কাম কৰাৰ লক্ষ্য আগত ৰাখি তেনেকৈ কাৰ্য সম্পাদন কৰি উদ্দেশ্য সম্পূৰ্ণ কৰিব লাগে । কোনো এখন সু-সমাজ গঢ়িবলৈ সু ব্যক্তিত্বৰ গৰাকীৰ প্ৰয়োজন হয় । সেয়ে সকলো মানুহে সু কৰ্ম কৰি সু সমাজ গঢ়াত মনোনিবেশ কৰিব লাগে । যিহেতু নৱপ্ৰজন্মৰ কৰ্ম কিছু পৰিমাণে হলেও সমাজৰ লগত জড়িত সেয়ে সুসমাজ গঢ়িবলৈ সকলো মানুহে সু উদ্দেশ্য আগত ৰাখি কৰ্ম কৰি সেই লক্ষ্যত উপনীত হ'ব লাগে ।

লক্ষ্য উদ্দেশ্য:

নিজৰ মত:

মোৰ এই বিশ্লেষণমূলক গৱেষণা পত্ৰৰ লক্ষ্য হৈছে মানুহৰ জীৱনত কৰ্মবাদৰ প্ৰভাৱ, অৰিহণা সমূহৰ এক দাৰ্শনিক আলোচনা কৰা লগতে ~~কৰ্মবাদৰ ফল~~ কৰ্মৰ পৰিণামৰ ফলত মানৱ সমাজত হোৱা পৰিৱৰ্তন সমূহৰ এক বিশ্লেষণমূলক আলোচনাই মোৰ এই গৱেষণা নিবন্ধ টোৰ উদ্দেশ্য। কৰ্মবাদৰ বিভিন্ন ভাগ সমূহ হৈছে

i) সকাম কৰ্ম।

ii) নিষ্কাম কৰ্ম।

iii) অনাৰব্ধ কৰ্ম।

iv) আৰব্ধ বা প্ৰাৰব্ধ কৰ্ম।

v) প্ৰাক্তন বা সঞ্চিত কৰ্ম।

vi) ক্ৰিয়মান বা সঞ্চয়মান কৰ্ম।

vii) → ভাৰতীয় দৰ্শনত কৰ্মবাদ

viii) জৈন ~~সম্প্ৰদায়ৰ~~ দৰ্শনৰ কৰ্মবাদ।

ix) বৌদ্ধ ~~সম্প্ৰদায়ৰ~~ দৰ্শনৰ কৰ্মবাদ।

x) ন্যায়-বৈশেষিক দৰ্শনৰ কৰ্মবাদ।

xi) মীমাংসা দৰ্শনৰ কৰ্মবাদ।

xii) গীতাৰ নিষ্কাম কৰ্ম